**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 19-01-2026**
**Time : 21-25 Hrs.**

# ASSAMESE NIGHT BULLETIN

**::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::**

প্ৰেছ্ ইনফৰমেছন ব্যুৰো গুৱাহাটীৰ উদ্যোগত তথা ৰাষ্ট্ৰীয় গ্ৰামোন্নয়ন আৰু পঞ্চায়তীৰাজ প্ৰতিষ্ঠানৰ উত্তৰ পূৰ আঞ্চলিক কেন্দ্ৰৰ সহযোগত আজি গুৱাহাটীত বিকশিত ভাৰত ৰোজগাৰ আৰু আজীৱিকা নিশ্চয়তা অভিযান (গ্ৰামীন) চমুকৈ ভি বি জি ৰাম জি আইন আৰু বাল্য বিবাহ মুক্ত ভাৰত বিষয়ক আঞ্চলিক মেডিয়া সন্মিলনৰ বাৰ্তালাপ অনুষ্ঠিত হয়। অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অতিৰিক্ত মুখ্য সচিব ডাঃ বি কল্যান চক্ৰৱৰ্তী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি কয় যে ভি বি জি ৰাম জিৰ অধীনত নিয়োগৰ দিনৰ সংখ্যা বৃদ্ধি কাৰ্য, গ্ৰামাঞ্চলৰ গৃহস্থীসকলক বহনক্ষম আয়ৰ সহায় আগবঢ়াবলৈ অতিশয় গুৰুত্বপূৰ্ণ পদক্ষেপ। তেওঁ কয়, যে ভি বি জি ৰাম জিৰ এটা বৈশিষ্ট হৈছে মজুৰীৰ ডিজিটেল পৰিশোধ, যিয়ে সময়মতে পাৰিতোষিক লাভ কৰাটো নিশ্চিত কৰিছে। ৰাষ্ট্ৰীয় গ্ৰামোন্নয়ন আৰু পঞ্চায়তীৰাজ প্ৰতিষ্ঠানৰ সঞ্চালক ডাঃ আৰ মুৰুগেচানে ভি বি জি ৰাম জি আইনখনৰ উল্লেখযোগ্য বৈশিষ্টসমূহৰ বিষয়ে উল্লেখ কৰি গ্ৰামাঞ্চলসমূহত জীৱিকা সুৰক্ষাক সুদৃঢ় কৰাৰ ক্ষেত্ৰত ইয়াৰ ভূমিকাক আলোকপাত কৰে। ডাঃ মুৰুগেচানে আৰু কয় যে আইনখনে স্বচ্ছতা আৰু জবাবদিহিতাক অধিক গুৰুত্ব আৰোপ কৰিছে। এই কৰ্মশালাত বাল্য বিবাহমুক্ত বিষয়টো আলোচনা কৰা হয়।

ooooo

ভাৰতীয় আৰক্ষী সেৱাৰ জ্যেষ্ঠ বিষয়া তথা গুৱাহাটী মহানগৰ আৰক্ষী আয়ুক্ত পাৰ্থ সাৰথি মহন্তক আজি অসম বিশ্ববিদ্যালয়ৰ ২৩ সংখ্যক সমাৱৰ্তনত ডি-লিট সন্মান প্ৰদান কৰা হয়। ১৯৯৯ বেট্‌ছৰ আই পি এছ বিষয়া শ্ৰীমহন্ত এই সন্মান লাভ কৰা প্ৰথমগৰাকী আৰক্ষী বিষয়া হিচাপে পৰিগণিত হৈছে। বেলুৰ মঠৰ ৰামকৃষ্ণ মিচন বিবেকানন্দ এডুকেচন এণ্ড ৰিচাৰ্ছ ইন্সটিটিউটৰ সম-উপাচাৰ্য্য আত্মপ্ৰিয়নন্দে তেওঁক এই সন্মান প্ৰদান কৰে। অনুষ্ঠানত অসম বিশ্ববিদ্যালয়ৰ অধ্যক্ষ অৰূপ ৰাহা আৰু উপাচাৰ্য্য ৰাজীৱ মোহন পন্থ উপস্থিত থাকে। এই সন্মান লাভ কৰি আৰক্ষী বিষয়াগৰাকীয়ে এইদৰে কয়।

বাইট ঃ পাৰ্থ সাৰথি মহন্ত

ooooo

জুবিন গাৰ্গ সন্দৰ্ভত আপত্তিজনক মন্তব্য কৰাৰ অভিযোগত আজি গুৱাহাটীৰ পাণবজাৰ আৰক্ষীয়ে শিখা শৰ্মা নামৰ এগৰাকী মহিলাক গ্ৰেপ্তাৰ কৰিছে। শিল্পীগৰাকীৰ পত্নী গৰিমা শইকীয়া গাৰ্গে পাণবজাৰ থানাত এজাহাৰ দাখিল কৰাৰ পাছতে আৰক্ষীয়ে তেওঁক গুৱাহাটীৰ পাথৰকুৱেৰীৰ পৰা আটক কৰে। পৰৱৰ্তী সময়ত আৰক্ষীয়ে তেওঁক গ্ৰেপ্তাৰ কৰে আৰু ইতিমধ্যে বিতৰ্কিত মহিলাগৰাকীক দুদিনৰ বাবে আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰা হৈছে। উল্লেখযোগ্য যে মহিলাগৰাকীয়ে দীৰ্ঘদিন ধৰি জুবিন গাৰ্গ সন্দৰ্ভত সামাজিক মাধ্যমত আপত্তিজনক কথা লিখি আহিছিল।

ইপিনে জুবিন গাৰ্গ ফেন ক্লাবৰ সদস্যসকলেও ৰাজ্যৰ বিভিন্ন আৰক্ষী থানাত শিখা শৰ্মা নামৰ মহিলাগৰাকীৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰিছে।

ooooo

সমাগত অসম  বিধানসভা নিৰ্বাচনক কেন্দ্ৰ কৰি আজি গুৱাহাটীৰ ৰাজীৱ ভৱনত যথেষ্ট সংখ্যক প্ৰাৰ্থীত্ব প্ৰত্যাশীয়ে ভিৰ কৰে। কেইবাজনো বিধায়কৰ লগতে জ্যেষ্ঠ কংগ্ৰেছ নেতাই আজি সমৰ্থকসকলক লৈ আবেদনপত্ৰ জমা দিয়ে। নিশা ৭ বজালৈকে আজিৰ দিনটোত প্ৰায় ৩ শ প্ৰাৰ্থীত্ব প্ৰত্যাশীয়ে আবেদন পত্ৰ জমা দিছে। কাইলৈ আবেদন পত্ৰ জমা দিয়াৰ অন্তিম দিন। অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ কোষাধ্যক্ষ ডাঃ হেমহৰি পেগুৱে জনোৱা মতে, এতিয়ালৈকে ৬ শৰো অধিক প্ৰাৰ্থীত্ব প্ৰত্যাশীয়ে আবেদন পত্ৰ জমা দিছে।

ooooo

**ঃঃ সমাপ্ত ঃঃ**